**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-JULY-2026
**Time :** 0755 HRS

***<u>Assamese Morning Bulletin</u>***

---

অসমৰ বান পৰিস্থিতি এতিয়াও শোচনীয় হৈ আছে। বানৰ কবলত পৰা জিলাকেইখনৰ কোনো কোনো অঞ্চলত পানী কমিবলৈ লৈছে যদিও ১২ খন জিলাৰ ৮৫৬ খন গাঁও বানত বুৰ গৈ আছে। বানৰ ফলত উজনি অসমৰ শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাট জিলাত সৰ্বাধিক ক্ষতি হৈছে। এইবাৰৰ বানত ৭ লাখ ৫১ হাজাৰৰো অধিক লোক ক্ষতিৰ সন্মুখীন হৈছে। বানৰ ফলত কালি আৰু ১৪ জন লোকে প্ৰাণ হেৰুৱায়। ইয়াৰে ভিতৰত শিৱসাগৰত ছজন, চৰাইদেউত ৭ জন আৰু যোৰহাটত এজন লোকৰ মৃত্যু হয়। ইয়াকে লৈ ৰাজ্যত এইবাৰৰ বানত প্ৰাণ হেৰুওৱা লোকৰ সংখ্যা ৬১ হৈছেগৈ।

অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ সূত্ৰ অনুসৰি সাম্প্ৰতিক বানত ৫৬ হাজাৰ ৬০৬ হেক্টৰৰো অধিক কৃষিভূমি প্লাবিত হৈছে। বানপীড়িতসকলৰ বাবে স্থাপন কৰা আশ্ৰয় শিবিৰসমূহত ১ লাখ ১৫ হাজাৰৰো অধিক লোকে আশ্ৰয় লৈ আছে।

উজনি অসমৰ মাজেৰে বৈ যোৱা দিখৌ, দিচাং আৰু ধনশিৰিকে ধৰি গুৰুত্বপূৰ্ণ নৈসমূহ বিপদসীমাৰ ওপৰেদি বৈ আছে। ইয়াৰ ফলত বান পৰিস্থিতিৰ অধিক অৱনতি ঘটিছে।

নীপকোৰ দৈয়াং জলবিদ্যুৎ প্ৰকল্পৰ জলধাৰৰ পানী ক্ৰমাৎ বৃদ্ধি পোৱাৰ বাবে প্ৰকল্পটোৰ চাৰিখন স্পীলৱে গে'ট খুলি দিবলগীয়া হৈছে। বৰ্তমান এই গে'টেৰে প্ৰতি ছেকেণ্ডত প্ৰায় ২ লাখ ১১ হাজাৰ লিটাৰ পানী এৰি দিয়া হৈছে। পানী এৰি দিয়াৰ ফলত গোলাঘাট আৰু বোকাখাত মহকুমাৰ কেইবাখনো নদীৰ জলস্তৰ বৃদ্ধি পাইছে। জিলা প্ৰশাসনে প্ৰকল্পটোৰ নামনি অঞ্চলত বানৰ আশংকা কৰি নদী কাষৰীয়া অঞ্চলৰ লোকসকলক সতৰ্ক হৈ থাকিবলৈ আহ্বান জনাইছে।

বান প্ৰভাৱিত অঞ্চলসমূহত উদ্ধাৰ আৰু সাহায্য অভিযান অব্যাহত আছে। দুৰ্যোগ সঁহাৰি বাহিনী, জিলা প্ৰশাসন, অগ্নি আৰু জৰুৰীকালীন সেৱা বাহিনী, এছ্ ডি আৰ এফ, আৰক্ষী তথা স্থানীয় ৰাইজে উদ্ধাৰ অভিযানত সহায় কৰিছে। প্ৰশাসনে বানপীড়িত লোকসকলক যাৱতীয় সাহায্য সামগ্ৰীৰ লগতে পশু খাদ্য যোগানৰ ব্যৱস্থা কৰিছে। কৰ্তৃপক্ষসমূহে পৰিস্থিতি সূক্ষ্মভাৱে নিৰীক্ষণ কৰি আছে আৰু বেয়াকৈ ক্ষতিগ্ৰস্ত জিলাসমূহত উদ্ধাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে।

oooooo

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই চৰাইদেউ জিলাৰ ১০০ শতাংশ স্থানত সাহায্য সামগ্ৰী প্ৰদান কৰা হৈছে যদিও নাজিৰা সমষ্টিৰ ৩০ শতাংশ আৰু শিৱসাগৰৰ ২০ শতাংশ লোকৰ সৈতে এতিয়াও প্ৰশাসনে সম্পৰ্ক স্থাপন কৰিব পৰা নাই বুলি প্ৰকাশ কৰিছে। দিছপুৰৰ লোকসেৱা ভৱনত কালি এখন সংবাদমেলত মুখ্যমন্ত্ৰীয়ে এই কথা প্ৰকাশ কৰে।

বাইট (চি এম)

সংবাদমেলত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়, যে বানত চৰাইদেউ জিলাৰ ৩টা ৰাজহ চক্ৰৰ ১৫২ খন গাঁৱৰ ১ লাখ ৩৩ হাজাৰ ১৫৯ জন লোক ক্ষতিগ্ৰস্ত হৈছে। জিলাখনত বানত ১০ জন লোকৰ মৃত্যু হোৱাৰ বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ

দিয়ে। একেদৰে শিৱসাগৰ জিলাৰ ৫টা ৰাজহ চক্ৰৰ ৩৩৩ খন গাঁৱৰ ৫ লাখ ৩০ হাজাৰ লোক বানত প্ৰভাৱিত হৈছে। জিলাখনত বানত মৃত্যু হোৱা লোকৰ সংখ্যা হৈছে ২১। ০০০০০

মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে মন্ত্ৰী বিমল বৰা আৰু সুশান্ত বৰগোহাঁইয়ে জিলাকেইখনৰ বান পৰিস্থিতি নিৰীক্ষণ কৰি আছে। শিৱসাগৰ আৰু চৰাইদেউ জিলাত পৰ্যাপ্ত খাদ্য সামগ্ৰী যোগান ধৰাৰ বাবে তিনিচুকীয়া, ডিব্ৰুগড় আৰু কামৰূপ মহানগৰ জিলাৰ পৰা সাহায্য সামগ্ৰী প্ৰেৰণ কৰা হৈছে বুলি ড০ শৰ্মাই জানিবলৈ দিয়ে। তেওঁ লগতে কয়, যে উদ্ধাৰ অভিযানৰ বাবে এন ডি আৰ এফ আৰু এছ ডি আৰ এফৰ নাও ব্যৱহাৰ কৰাৰ উপৰি খাদ্য সামগ্ৰী যোগান ধৰাৰ বাবে মাজুলী, ধেমাজি আৰু লখিমপুৰৰ পৰা টুলুঙা নাও আৰু পাল নাও সংগ্ৰহ কৰা হৈছে।

ইপিনে পানী লাহে লাহে হ্ৰাস পাবলৈ ধৰাৰ ফলত বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহত যাতে কোনো মহামাৰী নহয় তাৰ বাবে ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ তৰফৰ পৰা ভ্ৰাম্যমান চিকিৎসা সেৱাৰ ব্যৱস্থাৰ উপৰি ডিব্ৰুগড় আৰু যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ চিকিৎসকৰ দল মোতায়েন কৰা হৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০

ডিব্ৰুগড় জিলা আৰক্ষীয়ে জিলাখনৰ বিভিন্ন প্ৰান্তত নিচাজাতীয় সামগ্ৰীৰ বিৰুদ্ধে চলি থকা অভিযানৰ অংশ হিচাপে কালি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সমীপৱৰ্তী দীঘলীয়া গাঁৱত ভাং সৰবৰাহকাৰী দুজন লোকক আটক কৰে। আৰক্ষীয়ে আটক কৰা লোক দুজনৰ পৰা এক কিলোগ্ৰামতকৈও অধিক ভাং, এখন বাহন আৰু কাহৰ বাচন-বৰ্তন জব্দ কৰে। ডিব্ৰুগড় আৰক্ষীয়ে চলোৱা আন এটা অবিযানত কালি পুৰণি ৰে'লৱে ষ্টেচন কল'নিত কেইবাজনো ড্ৰাগছ সৰবৰাহকাৰীক আটক কৰাৰ লগত কেইবা লাখ টকাও জব্দ কৰে।

০০০০০০

গুৱাহাটীৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত আজি পুৱা ১০ বজাৰ পৰা কৃষি আন্তঃগাঁথনি পুজি বিষয়ক এখন কৰ্মশালা আৰু সজাগতা কাৰ্যসূচী অনুষ্ঠিত হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। কৃষি মন্ত্ৰী পীযুষ হাজৰিকাও এই অনুষ্ঠানত উপস্থিত থাকিব। এই কাৰ্যসূচীৰ মূল উদ্দেশ্য হ'ল- কৃষি আন্তঃগাঁথনি উন্নয়েনেৰে সমৃদ্ধিশালী অসম গঢ়ি তোলা। শস্য চপোৱাৰ পাছত প্ৰয়োজন হোৱা কৃষি আন্তঃগাঁথনি নিৰ্মাণ, মূল্য সংযোজনক উৎসাহ প্ৰদান, কৃষি সামগ্ৰীৰ পৰিবহন তথা যোগান ব্যৱস্থা সৰলীকৰণ, বিত্তীয় সাহায্য আৰু ঋণৰ সুবিধা, কৃষি ভিত্তিক উদ্যোগ তথা এই দিশত উদ্যমিতাক উৎসাহ প্ৰদান আৰু কৃষি ক্ষেত্ৰত বহনক্ষম প্ৰযুক্তি তথা উদ্ভাৱনৰ বিকাশৰ উদ্দেশ্যে এই কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানত কৃষক, কৃষি উদ্যোগী, ষ্টাৰ্ট আপ, বিনিয়োগকাৰী, বেংক আৰু বিত্তীয় প্ৰতিষ্ঠান তথা সহযোগী উন্নয়ন সমস্থাসমূহৰ বিষয়াসকলে অংশগ্ৰহণ কৰিব।

০০০০০০

**সমাপ্ত**